**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

যোৱা দুদিন ধৰি ৰাজ্যত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৫০৬ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত সাম্প্ৰতিক বানত কমেও ১৯ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। বানত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। নগৰাঞ্চলত হোৱা বানৰ ফলত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১৫ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ৪৬৪ জন লোকে আশ্ৰয় লৈ আছে।

ooooooo

ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিত্বত মূল সমিতিৰ প্ৰথমখন বৈঠক চলি আছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত বৈঠকখনত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছে। উল্লেখযোগ্য যে অহা ৮ ছেপ্তেম্বৰত বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব বুলি ইতিমধ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই নিশ্চিতি দিছে।

oooooo

ডিব্ৰুগড় জিলা আইনী সেৱা প্ৰাধিকৰণে অসম ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগত ১৪ জুনত জিলা ন্যায়িক আদালত চৌহদত লোক আদালতৰ আয়োজন কৰিছে। এই লোক আদালতত সৰু-সুৰা গোচৰ, চেক বাউন্স, দেৱানী গোচৰ, খোৰাকী গোচৰ, মটৰ দুৰ্ঘটনাজনিত গোচৰ সমিলমিলৰ মাজেৰে সমাধানৰ চেষ্টা কৰা হ'ব। ডিব্ৰুগড় জিলা আইনী সেৱা প্ৰাধিকৰণৰ সচিবে এটা বাৰ্তাযোগে লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনাইছে।

ooooooooo

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত দিনৰ ১১ বজাত গছপুলি ৰোপণ আৰু পৰিৱেশ সজাগতা সম্পৰ্কীয় বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিদ্যালয়খনৰ পঞ্চমৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সজাগতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধ সম্পৰ্কে ছবি অঁকা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লেখক, কেৰিয়াৰ পৰামৰ্শদাতা শৈলেন বৈশ্যৰ পৰিচালনাত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট পৰিৱেশ কৰ্মী, অসম গৌৰৱ সন্মানেৰে বিভূষিত নেচাৰ্ছ বেকনৰ সঞ্চালক সৌম্যদীপ দত্তই বিশ্বজুৰি প্লাষ্টিক প্ৰদূষণ ৰোধ আৰু পৰিৱেশ সজাগতা সন্দৰ্ভত ভাষণ দিব। বিদ্যালয়খনৰ জীৱ বিজ্ঞানৰ স্নাতকোত্তৰ

শিক্ষয়িত্ৰী চন্দনা কলিতাই প্লাষ্টিক প্ৰদূষণ ৰোধ বিষয়ক ভাষণ আগবঢ়াব। আকাশবাণী গুৱাহাটীয়ে কাইলৈ দিনৰ ১১ বাজি ১৫ মিনিটৰ পৰা এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০০০০

সমগ্ৰ শিক্ষা অসমে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কাইলৈ **এক পেড় মা কে নাম** কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত বিদ্যালয়সমূহত গছপুলি ৰোপণৰ বাবে আহ্বান জনাইছে। এই অনুসৰি প্ৰতিখন বিদ্যালয়ে কমেও পাঁচটাকৈ গছপুলি ৰোপণ কৰিব লাগিব। অহা ৩০ ছেপ্তেম্বৰলৈকে চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন বিদ্যালয়ে কমেও ৭০টাকৈ গছপুলি ৰোপণ কৰিব লাগিব। গছপুলিসমূহ বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু তেওঁলোকৰ মাতৃসকলে একেলগে ৰোপণ কৰিব লাগিব আৰু গছপুলি ৰোপণৰ একোখনকৈ ছেল্ফি ECOCLUBS.EDUCATION.GOV.IN ত আপলোড কৰিব লাগিব।

উল্লেখযোগ্য যে মাতৃ আৰু প্ৰকৃতিৰ প্ৰতি ভালপোৱা আৰু সন্মানৰ চিন স্বৰূপে নাগৰিকসকলক এজোপাকৈ গছপুলি ৰোপণৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশজুৰি কাইলৈ বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত **এক পেড় মা কে নাম**ৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰা হ'ব।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত কালি এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন শীৰ্ষক এখন আলোচনা চক্ৰত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মা, গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ সঞ্জয় কুমাৰ সিঙকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে ভাগ লৈ সুনীল কুমাৰ বান্সালে বিগত ৩০ বছৰৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। এই প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজনৈতিক আৰু অৰ্থনৈতিক দক্ষতা বৃদ্ধি কৰি ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ় দিব পৰা যাব বুলি শ্ৰীবান্সালে উল্লেখ কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই তেওঁৰ ভাষণত এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচনৰ দ্বাৰা পদ্ধতিগত আৰু আন্তঃগাঁথনিমূলক বিভিন্ন দিশ সামৰি উন্নয়নমূলক কামত আত্মনিয়োগ কৰাৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে।

০০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভা, মৰিগাঁও আৰু হোজাই জিলা সাহিত্য সভাৰ সহযোগত নগাঁৱত পৰহিলৈৰ পৰা তিনিদিনীয়াকৈ লেখক শিবিৰৰ আয়োজন কৰা হৈছে। কবিতা, গল্প, উপন্যাস আৰু নাট্য সাহিত্যৰ মনোগ্ৰাহী অনুষ্ঠানত সমাহাৰ হ'বলগীয়া এই শিবিৰ নগাঁও জিলা পুথিভঁৰাল, কমলাদেৱী তোদী স্মৃতিভৱন আৰু নগাঁও সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হ'ব। পৰহিলৈ অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধনী অনুষ্ঠান সঞ্চালনা কৰিব। অনুষ্ঠানত নাগালেণ্ডৰ কবি, সাংবাদিক মনালিছা ছাংকিজা উপস্থিত থাকিব। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া কবিতা অধিৱেশন দুখন ৰাজীৱ বৰা আৰু ডঃ মঞ্জু লস্কৰে উদ্বোধন কৰিব। বিয়লিৰ ভাগত চুটি গল্প বিষয়ৰ প্ৰথমখন বৈঠক শিৱানন্দ কাকতিয়ে উদ্বোধন কৰিব। ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই দ্বিতীয়খন বৈঠক সঞ্চালনা কৰিব। একেদিনাই নগাঁও জিলা পুথিভঁৰালত উপন্যাস বিষয়ৰ বৈঠকো অনুষ্ঠিত হ'ব। আটাইকেইটা অনুষ্ঠানতে ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক আৰু উদীয়মান লেখকে অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাপ্ত